**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। অসম পেট্ৰ'কেমিকেল্চ লিমিটেড আৰু গুজৰাটৰ কান্দলাৰ দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ মাজত ই-মিথানল প্ৰকল্প স্থাপনৰ বুজাবুজিৰ চুক্তি।

৩। ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ মুখ্যমন্ত্ৰীৰ সম্ভাৱনা প্ৰকাশ।

৪। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ তিনিজন অভিযুক্তৰ জামিন আবেদনৰ আজি ৰায়দান।

*আৰু*

৫। সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ এখন গুৰুত্বপূৰ্ণ খেলত আজি অসম আৰু পশ্চিমবংগ মুখামুখি।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত আজি দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰিব। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব।

শ্ৰী শ্বাহে আজি সন্ধিয়াৰ ভাগত গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল’ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ৰ ড০ ভূপেন হাজৰিকা বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি কেইবাগৰাকীও দলীয় নেতা কৰ্মীয়ে শ্ৰী শ্বাহক বিমান বন্দৰত আদৰণি জনায়।

০০০০০০

ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অসম পেট্ৰ’ কেমিকেল্‌চ লিমিটেডে গুজৰাটৰ কান্দলাৰ দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে কান্দলা বন্দৰত প্ৰতিদিনে ১৫০ টন ই-মিথানল উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অসম পেট্ৰ’ কেমিকেল্‌চ লিমিটেডৰ হৈ অধ্যক্ষ বিকুল ডেকা আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ হৈ অধ্যক্ষ সুশীল সিঙে এই চুক্তিখনত স্বাক্ষৰ কৰে। এই ই-মিথানল প্ৰকল্পটোত এহেজাৰ ২০০ কোটি টকাৰ মূলধন বিনিয়োগ কৰা হ’ব। প্ৰকল্পটোত ৩ হাজাৰ ৫০০ ৰো অধিক নতুন সংস্থাপনৰ সুযোগ মুকলি হ’ব বুলি আশা কৰা হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰীৰ ডিব্ৰুগড় সচিবালয়ত আয়োজিত এখন সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ই-মিথানল উৎপাদনৰ এই চুক্তিখন অসম পেট্ৰ’ কেমিকেলচ লিমিটেডৰ দীঘলীয়া যাত্ৰাত মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ ৰ’ব। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই চুক্তিখনৰ বাবে অসম পেট্ৰ’ কেমিকেলচ্ লিমিটেড আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণক অভিনন্দন জ্ঞাপন কৰে। এই প্ৰকল্পই কান্দলা বন্দৰক বিশ্বৰ বহন ক্ষমতাৰ মানৰ সৈতে সংগতিপূৰ্ণ সেউজ বন্দৰ হিচাপে শক্তিশালী কৰিব বুলিও তেওঁ কয়।

বাইট

০০০০০০

ব’হাগ বিহুৰ পূৰ্বে অসমত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ’ব পাৰে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে উজনি অসমলৈ যোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি যোৰহাটত সংবাদ মাধ্যমৰ আগত কয়, যে যিকোনো মুহূৰ্তত নিৰ্বাচনৰ দিন ঘোষণাৰ বাবে নিৰ্বাচন আয়োগে প্ৰস্তুতি চলাইছে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ অধিসূচনা ২৭ ফেব্ৰুৱাৰীত আৰু ২০১৬ চনৰ নিৰ্বাচনৰ অধিসূচনা ১ মাৰ্চত জাৰি হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্য চৰকাৰে ব’হাগ বিহুৰ পূৰ্বে নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰিছে। বিগত তিনিটা নিৰ্বাচন আয়োগে বিহুৰ পূৰ্বে অনুষ্ঠিত কৰিছিল। সেয়ে এইবাৰো ব’হাগ বিহুৰ পূৰ্বে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়। অৱশ্যে দুই-তিনিদিনৰ তাৰতম্য হ’লেও পূৰ্বৰ সময়ৰ দৰে এইবাৰো আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰিব বুলি তেওঁ আশা কৰে।

বাইট

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে ৰায় প্ৰদান কৰিব। যোৱা ২২ জানুৱাৰীত এই তিনিওজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত শুনানি অনুষ্ঠিত হৈছিল। শুনানীৰ সময়ত জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰে। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰে। ন্যায়ালয়ে

দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ বাবে আজিৰ দিনটো ধাৰ্য কৰে। উল্লেখযোগ্য যে, যোৱাটো শুনানিত আদালতে অভিযুক্ত শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিন আবেদন দুখন প্ৰত্যাহাৰৰ বাবে অনুমতি প্ৰদান কৰে।

০০০০০০

ৰাজ্যৰ ঠিকাভিত্তিক শিক্ষকসকলে এতিয়াৰে পৰা শিক্ষা সেতু এপৰ জৰিয়তে ছুটিৰ বাবে আবেদন দাখিল কৰিব পাৰিব। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে এই সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰিছে। কাইলৈৰপৰা ঠিকাভিত্তিক শিক্ষকৰ লিখিত ছুটিৰ আবেদন গ্ৰাহ্য কৰা নহ'ব বুলিও মিছন সঞ্চালকগৰাকীয়ে নিৰ্দেশনাত উল্লেখ কৰিছে।

০০০০০০

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত আজিৰ পৰা ১ ফেব্ৰুৱাৰীলৈ মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। অৱশ্যে এইবাৰ প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

ধেমাজি জিলাৰ হাবুঙত কালিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কাইলৈ মে-ডাম-মে-ফিৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে মে-ডাম-মে-ফি উদযাপন কৰা হ'ব। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে মে-ডাম-মে-ফি উদযাপন কৰা হ'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰে আটক ধুনীয়াকৈ নিৰ্মাণ কৰা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰিব।

০০০০০০

কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ এখন গুৰুত্বপূৰ্ণ খেলত আজি অসম পশ্চিমবংগৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঢকুৱাখনাৰ বিষ্টুৰাম দলে খেলপথাৰত হ'বলগীয়া খেলখন দিনৰ ২ বজাত আৰম্ভ হ'ব। এইখন খেলত বিজয়ী হ'লে অসমে পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিব। আন এখন খেলত ৰাজস্থান নাগালেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে উত্তৰাখণ্ডে তামিলনাডুৰ বিৰুদ্ধে খেলিব।

ইপিনে, গ্ৰুপ বিৰ ৰে'লৱে দল আৰু ওড়িশাৰ মাজত কালি অনুষ্ঠিত এখন খেল ১-১ গ'লত ড্ৰ' হয়। চিলাপথাৰত হোৱা দিনটোৰ প্ৰথমখন খেলত ৰে'লৱে দলৰ সুব্ৰত মুৰ্মুৱে ওড়িশাৰ বিৰুদ্ধে এটা গ'ল দিয়ে। ওড়িশাই দ্বিতীয়াৰ্ধত অৰ্পণ লাক্ৰাৰ গ'লেৰে খেলখনত সমতা স্থাপন কৰে।

গ্ৰুপ বিৰ দ্বিতীয়খন খেলত কেৰালাই মেঘালয়ক ৩-০ গ'লত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। কেৰালাৰ হৈ প্ৰথমাৰ্ধৰ ৩৬ মিনিটত অৰ্জুন ভিয়ে গ'ল কৰে। কেৰালাৰ হৈ দ্বিতীয়াৰ্ধত মহম্মদ ৰিয়াজ আৰু মহম্মদ আজছলে এটাকৈ গ'ল দিয়ে। ইপিনে, পঞ্জাব দলে ছাৰ্ভিছেছক ১-০ গ'লত পৰাজিত কৰে।

০০০০০০

NEWS PAPER REV/RNU 30-01-2026/Morn

বিহুৰ পূৰ্বে অসমত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ মুখ্যমন্ত্ৰীৰ ইংগিত, দেশৰ পৰিষ্কাৰ শক্তি আৰু সেউজ জাহাজ পৰিবহন খণ্ডত অসমৰ গুৰুত্বপূৰ্ণ খোজ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসমত ব্যস্ততাপূৰ্ণ কাৰ্যসূচী, দেশৰ ৰাজহ সংগ্ৰহ বৃদ্ধি পোৱাকে ধৰি কেইবাটাও খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে।

ডিব্ৰুগড়ত কালি অসম পেট্ৰ'কেমিকেলচ লিমিটেড আৰু দীনদয়াল বন্দৰ প্ৰাধীকৰণৰ মাজত গুজৰাটৰ কাণ্ডলা বন্দৰত দৈনিক ১৫০ টন উৎপাদনক্ষম ই-মিথালন প্ৰকল্প স্থাপনৰ বাবে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতৰ শিৰোনাম **উপস্থিত মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল ঃ ডিব্ৰুগড়ত এ.পি.এল.-ডি.পি.এ.ৰ মাজত ই-মিথানল প্ৰকল্প স্থাপনৰ বুজাবুজিৰ চুক্তি।** অসমীয়া খবৰৰ কাকতে শিৰোনাম দিছে- **গ্ৰীণ মিথানলেৰে জগত সভালৈ অসম পেট্ৰ' কেমিকেলচ**। দ্যা ছেণ্টিনেল কাকতে বাতৰিটো প্ৰকাশ কৰিছে APL TO SET UP E-METHANOL PLANT AT KANDLA PORT শিৰোনামেৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব'হাগ বিহুৰ পূৰ্বেই অসমত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনীয়তাৰ কথা প্ৰকাশ কৰাৰ খবৰটো আজি কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতে ***বিধানসভাৰ ভোটক লৈ মুখ্যমন্ত্ৰী ডাঙৰ ঘোষণা, বিহুৰ পূৰ্বে হ'ব নিৰ্বাচন, যিকোনো মুহূৰ্ততে দিন ঘোষণা*** শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত দাখিল কৰা অৰ্থনৈতিক সমীক্ষাৰ প্ৰতিবেদনৰ বিভিন্ন দিশক লৈ আজি বাতৰিকাকতসমূহে কেইবাটাও বাতৰি প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে জি ডি পিৰ হাৰ বৃদ্ধি পাব ৭ দশমিক দুই শতাংশ লৈ শিৰোনামেৰে আৰু দৈনিক জনমভূমি কাকতে ৯ দশমিক দুই শতাংশ বৃদ্ধি দেশৰ ৰাজহ সংগ্ৰহ শিৰোনামেৰে প্ৰতিবেদনখনত আলোকপাত কৰিছে।

ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম CENTRE RECEIVIES PROPOSAL FOR ST STATUS TO 6 COMMUNITIES।

কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধনৰ বাবে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাৰ্যসূচী সন্দৰ্ভত আমাৰ অসমকৈ ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত একোটাকৈ বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীৰ ৩০ সংখ্যক বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠান আলচিৰিঙা মহোৎসৱ কালি প্ৰতিষ্ঠানখনৰ সঞ্চালক ড০ দেৱেন্দ্ৰ জলিহালে উদ্বোধন কৰে। চাৰি দিনীয়াকৈ

আয়োজন কৰা এই মহোৎসৱত দেশৰ আগশাৰীৰ প্ৰায় ৫০০ খন উচ্চ শিক্ষানুষ্ঠানৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। আজিৰে পৰা বিভিন্ন শিতানত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ লগতে অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**